# ‘নিতাই-পানীদিহিং অঞ্চলৰ কবি দেৱেশ্বৰ দিহিঙ্গীয়া বৰুৱাৰ কবিতা’ ঃ এটি সমীক্ষা

*(ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ স্নাতক মহলাৰ অসমীয়া সন্মান বিষয়ৰ ষষ্ঠ ষন্মাসিকৰ* DSE - 4 (B) *পাঠ্যক্ৰম অনুসৰি যুগুত কৰা প্ৰকল্প প্ৰতিবেদন।)*


প্ৰস্তুতকৰ্তা ঃ

**শ্ৰীমতী নমিতা ভূঞা**

অসমীয়া বিভাগ

ৰোল নম্বৰ ঃ ৩০৪১০০৩৫

পঞ্জীয়ন নং ঃ এচ ২১৩১৯৪৪

**হেমচন্দ্ৰ দেৱ গোস্বামী মহাবিদ্যালয়, নিতাইপুখুৰী।**

অসমীয়া বিভাগ

হেমচন্দ্ৰ দেৱগোস্বামী মহাবিদ্যালয়, নিতাইপুখুৰী

## প্ৰমাণ পত্ৰ

**শ্ৰীমতী নমিতা ভূঞা**, ৰোল নং ঃ ৩০৪১০০৩৫, স্নাতক কলা শাখাৰ ষষ্ঠ ষান্মাসিকৰ ছাত্ৰী। তেওঁ মোৰ তত্ত্বাৱধানত অসমীয়া সন্মান বিষয়ৰ DSE- 4 (B) পাঠ্যক্ৰমৰ অন্তৰ্গত প্ৰকল্প কাকতৰ বাবে **'নিতাই-পানীদিহিং অঞ্চলৰ কবি দেৱেশ্বৰ দিহিঙীয়া বৰুৱাৰ কবিতা'** বিষয়ত অধ্যয়ন কৰি প্ৰকল্পটিৰ এটি প্ৰতিবেদন প্ৰস্তুত কৰিছে। তেওঁ সম্পূৰ্ণ নিজা অধ্যয়নৰ জৰিয়তে এই প্ৰতিবেদন দাখিল কৰিছে।

তেওঁৰ উজ্জ্বল ভৱিষ্যত কামনা কৰিলোঁ।

তত্ত্বাৱধায়ক

অসমীয়া বিভাগ

হেমচন্দ্ৰ দেৱগোস্বামী মহাবিদ্যালয়, নিতাইপুখুৰী

শিৱসাগৰ, অসম।

অসমীয়া বিভাগ
হেমচন্দ্ৰ দেৱগোস্বামী মহাবিদ্যালয়, নিতাইপুখুৰী
জিলা ঃ শিৱসাগৰ (অসম)
পিন ঃ ৭৮৫৬৭১

তাৰিখ ঃ 20/05/2024

প্ৰসঙ্গ নং ঃ................

# প্ৰমাণ পত্ৰ

**শ্ৰীমতী নমিতা ভূঞা**, ৰোল নং ঃ ৩০৪১০০৩৫, স্নাতক কলা শাখাৰ ষষ্ঠ যান্মাসিকৰ ছাত্ৰী। তেওঁ শিল্পীশিখা গগৈৰ তত্ত্বাৱধানত অসমীয়া সন্মান বিষয়ৰ DSE- 4 (B) পাঠ্যক্ৰমৰ অন্তৰ্গত প্ৰকল্প কাকতৰ বাবে '**নিতাই-পানীদিহিং অঞ্চলৰ কবি দেৱেশ্বৰ দিহিঙীয়া বৰুৱাৰ কবিতা**' বিষয়ত অধ্যয়ন কৰি প্ৰকল্পটিৰ এটি প্ৰতিবেদন প্ৰস্তুত কৰিছে।

তেওঁৰ উজ্জ্বল ভৱিষ্যত কামনা কৰিলোঁ।

বিভাগীয় প্ৰধান
অসমীয়া বিভাগ
হেমচন্দ্ৰ দেৱগোস্বামী মহাবিদ্যালয়, নিতাইপুখুৰী
শিৱসাগৰ, অসম।

Head of Deptt. Assamese
H.D.G. College
Nitaipukhuri, Sivasagar

# কৃতজ্ঞতা জ্ঞাপন

হেমচন্দ্র দেৱ গোস্বামী মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ ষষ্ঠ ষান্মাসিকৰ DSE-4 (B) কাকতৰ বাবে এই প্ৰকল্প প্ৰস্তুত কৰা হৈছে। বিষয়টোৰ অধ্যয়নৰ ক্ষেত্ৰত সহায়ৰ হাত আগবঢ়োৱা ব্যক্তিসকলৰ ভিতৰত পোনপ্ৰথমে কৃতজ্ঞতা জ্ঞাপন কৰিব লাগিব অসমীয়া বিভাগৰ সহকাৰী অধ্যাপিকা শিল্পীশিখা বাইদেউক । বিষয়বস্তু নিৰ্বাচনকে ধৰি বিভিন্ন দিশত তেওঁ দিহা-পৰামৰ্শ আগবঢ়োৱাৰ উপৰিও তত্ত্বাৱধায়কৰ দায়িত্ব বহন কৰিছে। প্ৰকল্প প্ৰস্তুতকৰণৰ আৰম্ভণিৰে পৰা শেষলৈকে সকলো কাৰ্যতে প্ৰত্যক্ষভাৱে সহায় কৰাৰ উপৰিও উৎসাহ আৰু অনুপ্ৰেৰণাৰে তেওঁ আমাক কৃতাৰ্থ কৰিছে। ইয়াৰ বাবে তেওঁৰ ওচৰত চিৰঋণী হৈ ৰ'লো। এই প্ৰকল্প কাৰ্যত বিশেষভাৱে দিহা-পৰামৰ্শ আগবঢ়োৱা অসমীয়া বিভাগৰ অৱসৰপ্ৰাপ্ত মুৰব্বী অধ্যাপক ড° দিগন্ত গগৈ ছাৰৰ লগতে বিভাগৰ অধ্যাপক ত্ৰয় পিকুমণি চুতীয়া, মৃদুস্মিতা দত্ত আৰু নিভা দাস বাইদেউলৈও তেওঁলোকৰ দিহা-পৰামৰ্শৰ বাবে কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ।

**'নিতাই-পানীদিহিং অঞ্চলৰ কবি দেৱেশ্বৰ দিহিঙীয়া বৰুৱাৰ কবিতা'** এই প্ৰকল্পটো প্ৰস্তুত কৰাৰ ক্ষেত্ৰত বিশেষভাৱে সহায় কৰা দেৱেশ্বৰ দিহিঙ্গীয়া বৰুৱাৰ জী অৰুন্ধতী দিহিঙীয়া বৰুৱা আৰু মালৱিকা দিহিঙীয়া বৰুৱালৈ কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ।

এই প্ৰকল্পটো সমাপ্ত কৰাৰ ক্ষেত্ৰত সহায় হোৱা বিভিন্ন গ্ৰন্থৰ লেখকসকলৰ লগতে ডি. টি. পি কৰি সহায় কৰা নিতাইপুখুৰী অঞ্চলৰ বিহঙ্গম এণ্টাৰপ্ৰাইজৰ শ্ৰী বিপুল গগৈলৈও কৃতজ্ঞতা জনালোঁ।

নমিতা ভূঞা

**নমিতা ভূঞা**

স্নাতক ষষ্ঠ ষান্মাসিক

অসমীয়া বিভাগ

হেমচন্দ্ৰ দেৱ গোস্বামী মহাবিদ্যালয়।

# সূচীপত্ৰ


| | | পৃষ্ঠা |
|---|---|---|
| ০.০০ | অৱতৰণিকা | ১ |
| ০.০১ | বিষয়ৰ পৰিচয় | ১ |
| ০.০২ | অধ্যয়নৰ প্ৰয়োজনীয়তা | ২ |
| ০.০৩ | অধ্যয়নৰ পৰিসৰ | ২ |
| ০.০৪ | অধ্যয়নৰ পদ্ধতি | ২ |
| ১.০০ | দেৱেশ্বৰ দিহিঙ্গীয়া বৰুৱাৰ চমু পৰিচয় | ৩ |
| ২.০০ | দেৱেশ্বৰ দিহিঙ্গীয়া বৰুৱাৰ কবিতা | ৪ — ৫ |
| ২.০১ | জোৱাৰ | ৫ — ৭ |
| ২.০২ | অৱসাদ | ৭ — ৮ |
| ৩.০০ | ৰোমাণ্টিক কবি হিচাপে দেৱেশ্বৰ দিহিঙ্গীয়া বৰুৱা | ৯ — ১০ |
| ৪.০০ | প্ৰগতিশীল কবি হিচাপে দেৱেশ্বৰ দিহিঙ্গীয়া বৰুৱা | ১১ |
| ৫.০০ | অসমীয়া কাব্য জগতত দেৱেশ্বৰ দিহিঙ্গীয়া বৰুৱাৰ স্থান | ১২ |
| ৬.০০ | সিদ্ধান্ত | ১৩ |
| ৭.০০ | উপসংহাৰ | ১৪ |
| পৰিশিষ্ট ঃ | | |
| | গ্ৰন্থপঞ্জী | ১৫ |
| | তথ্যদাতাৰ পৰিচয় | ১৬ |
| | আলোকচিত্ৰ | ১৭ |

## ০.০০ ঃ অৱতৰণিকা ঃ

মানুহৰ ভাৱ অনুভূতিৰ ছন্দোবদ্ধ প্ৰকাশেই সহজ অৰ্থত কবিতা। পাৰিদৃশ্যমান জগত আৰু জীৱনৰ অপাৰ বিস্ময় আৰু অভিজ্ঞতাই ব্যক্তিৰ মনত তেতিয়া আলোড়নৰ সৃষ্টি কৰে, হৃদয়ৰ গভীৰতা, দুখ-কাৰুণ্য, আনন্দ-ৰৌদ্ৰ আদি বিচিত্ৰ আৱেগৰ যেতিয়া জোৱাৰ উঠে সেই আৱেগ আৰু আলোড়নেই শব্দ, ছন্দ আৰু লয়ৰ যোগেদি কবিতাৰূপে প্ৰকাশ পায়।

প্ৰকল্পৰ বিষয় হিচাপে গ্ৰহণ কৰা দেৱেশ্বৰ দিহিঙীয়া বৰুৱাৰ কবিতাৰ বিষয়বস্তু আৰু দেৱেশ্বৰ দিহিঙীয়া বৰুৱাৰ কবি প্ৰতিভা সম্পৰ্কে আলোচনা কৰাটোৱেই হৈছে এই প্ৰকল্পটিৰ ঘাই উদ্দেশ্য।

## ০.০১ ঃ বিষয়ৰ পৰিচয় ঃ

১৮৮৯ চনত জন্মলাভ কৰা **'জোনাকী'** আলোচনীৰ জৰিয়তে আধুনিক অসমীয়া কবিতাৰ আৰম্ভণি ঘটে। ইয়াৰ পাছতে ১৯২৯ চনৰ পৰা প্ৰকাশ হোৱা **'আৱাহন'** আলোচনী আৰু ১৯৪৮ চনত প্ৰকাশ হোৱা **'ৰামধেনু'** আলোচনীৰ জৰিয়তে অসমীয়া কবিতাৰ উত্তৰণ ঘটে। স্বৰাজোত্তৰ সময়ছোৱাত অসমীয়া কবিতাই **'জোনাকী'** আলোচনীৰ ৰোমাণ্টিক ধাৰাৰ পৰা আঁতৰি আহি প্ৰগতিশীল ধাৰাৰ জৰিয়তে এক নতুন মাত্ৰা লাভ কৰে। ভৱানন্দ দত্ত, অমূল্য বৰুৱা এইসকল কবিৰ কবিতাত প্ৰগতিশীল ভাৱধাৰা দেখা পোৱাৰ লগতে দেৱকান্ত বৰুৱাৰ দৰে কবিসকলৰ কবিতাত দুয়োটা ধাৰাৰে প্ৰকাশ ঘটা দেখা যায়। স্বাধীনতা পূৰ্ব সময়ৰ পৰা স্বৰাজোত্তৰ সময়লৈকে কাব্যচৰ্চা কৰা অসমৰ কবিসকলৰ ভিতৰত শিৱসাগৰীয়া কবি ডিম্বেশ্বৰ নেওগ, মহেশ্বৰ নেওগ, বীৰেণ বৰকটকী আদি উল্লেখযোগ্য। এইসকল কবিৰ লগতে বহুলভাৱে চৰ্চালৈ নহা একাংশ কবিয়েও কাব্যচৰ্চা কৰিছিল। দেৱেশ্বৰ দিহিঙীয়া বৰুৱা এইসকল কবিৰ ভিতৰত অন্যতম। গতিকে আৱাহন যুগৰে পৰা সাহিত্যচৰ্চা আৰম্ভ কৰা দেৱেশ্বৰ দিহিঙীয়া বৰুৱাৰ কবিতা সম্পৰ্কে আমাৰ এই প্ৰকল্পটিৰ জৰিয়তে অধ্যয়ন কৰা হৈছে।

## ০.০২ ঃ অধ্যয়নৰ প্ৰয়োজনীয়তা ঃ

এই অধ্যয়নৰ জৰিয়তে আৱাহন যুগৰে পৰা সাহিত্য চৰ্চা কৰা শিৱসাগৰ জিলাৰ নিতাইপুখুৰী মৌজাৰ দিহিঙীয়া গৰুখুটি গাঁৱৰ কবি, প্ৰবন্ধকাৰ দেবেশ্বৰ দিহিঙীয়া বৰুৱাৰ কবি প্ৰতিভা সম্পৰ্কে জানিব পৰা যাব। লগতে দেৱেশ্বৰ দিহিঙীয়া বৰুৱা জীৱন আৰু সাহিত্যকৃতি সম্পৰ্কেও জ্ঞাত হ'ব।

## ০.০৩ ঃ অধ্যয়নৰ পৰিসৰ ঃ

অধ্যয়নৰ পৰিসৰত দেৱেশ্বৰ দিহিঙীয়া বৰুৱাৰ কবিতাসমূহক অধ্যয়নৰ বাবে বাছি লোৱা হৈছে। সাহিত্যিক হিচাপে দেৱেশ্বৰ দিহিঙীয়া বৰুৱাই কবিতাৰ লগতে প্ৰৱন্ধও ৰচনা কৰিছিল যদিও প্ৰৱন্ধকাৰ হিচাপে তেওঁৰ আলোচনাৰ আওতালৈ অনা হোৱা নাই। দেৱেশ্বৰ দিহিঙীয়া বৰুৱাৰ কবি প্ৰতিভা আৰু প্ৰকাশিত কবিতাপুথি দুখনৰ আলোচনাকহে অধ্যয়নৰ পৰিসৰৰ ভিতৰত লোৱা হৈছে।

## ০.০৪ ঃ অধ্যয়নৰ পদ্ধতি ঃ

প্ৰকল্পটি অধ্যয়নৰ পদ্ধতি হিচাপে কবিতাসমূহৰ আলোচনাত ঘাইকৈ বিশ্লেষণাত্মক পদ্ধতিক গ্ৰহণ কৰা হৈছে। অধ্যয়নৰ বিষয়বস্তুৰ তথ্য সংগ্ৰহৰ বাবে মুখ্য উৎস হিচাপে দেৱেশ্বৰ দিহিঙীয়া বৰুৱাৰ প্ৰকাশিত কবিতাপুথি দুখন আৰু দেৱেশ্বৰ দিহিঙীয়া বৰুৱাৰ পৰিয়ালৰ পৰা প্ৰাপ্ত তথ্যসমূহক লোৱা হৈছে।

## ১.০০ ঃ দেৱেশ্বৰ দিহিঙীয়া বৰুৱাৰ চমু পৰিচয় ঃ

দেৱেশ্বৰ দিহিঙীয়া বৰুৱাৰ জন্ম হয় ১৯২০ চনত শিৱসাগৰ জিলাৰ নিতাইপুখুৰী মৌজাৰ দিহিঙীয়া গৰুখুটি গাঁৱত। দেৱেশ্বৰ দিহিঙীয়া বৰুৱা এগৰাকী কবি, সাহিত্যিক, শিক্ষাবিদ আছিল। তেওঁ ডিমৌ, নিতাইপুখুৰী অঞ্চলৰ এজন আদৰ্শ খেতিয়ক, লেখক আৰু এক ব্যতিক্ৰমী পুৰুষ আছিল। দেৱেশ্বৰ দিহিঙীয়া বৰুৱা RCPI (Revolutionary Communist Party of India) ৰ সদস্য আছিল। তেওঁ নিতাইপুখুৰী উচ্চ (বৰ্তমান উচ্চতৰ) মাধ্যমিক বিদ্যালয়ৰ পৰাই মেট্ৰিক পাছ কৰিছিল। তাৰপাছত তেওঁ যোৰহাট জগন্নাথ বৰুৱা (J. B) মহাবিদ্যালয়ৰ পৰা P. U পাছ কৰিছিল। P. U পাছ কৰাৰ পাছতহে তেওঁ বি. এ. পাছ কৰিছিল।

দেৱেশ্বৰ দিহিঙীয়া বৰুৱা চেচুঘাট হাইস্কুলৰ প্ৰতিষ্ঠাপক (১৯৫৫) প্ৰধান শিক্ষক হিচাপে কৰ্মজীৱনৰ পাতনি মেলি পাছলৈ নিতাইপুখুৰীৰ উচ্চ মাধ্যমিক বিদ্যালয় (বৰ্তমান উচ্চতৰ) ত সহকাৰী শিক্ষক হিচাপে কাৰ্যনিৰ্বাহ কৰিছিল।

দেৱেশ্বৰ দিহিঙীয়া বৰুৱাৰ প্ৰকাশিত কবিতাপুথি কেইখন হ'ল — '**জোৱাৰ**' (১৯৫৫) '**অৱসাদ**', (২০১০)। ইয়াৰে '**অৱসাদ**'ক ১৯৪৭ চনতে প্ৰকাশৰ বাবে সাজু কৰা হৈছিল যদিও প্ৰকাশ হৈ ওলোৱা নাছিল। আনহাতে '**পৰাজয়**' (১৯৪৭) আৰু '**অনুতাপ**' (১৯৪৯) বৰ্তমানেও অপ্ৰকাশিত (পাণ্ডুলিপি) অৱস্থাত আছে। দেৱেশ্বৰ দিহিঙীয়া বৰুৱাই লিখি যোৱা '**অৱসাদ**'ৰ পাতনিৰ পৰা ১৯৪৭ চন বা তাৰ আগতেই '**অৱসাদ**'ৰ কবিতাসমূহ ৰচনা হোৱাৰ কথা জানিব পৰা যায়। গতিকে '**পৰাজয়**' আৰু '**অৱসাদ**'ৰ ৰচনাকাল প্ৰায় সমসাময়িক হ'লেও প্ৰকাশিত কবিতাপুথি কেইখনৰ ভিতৰত '**অৱসাদ**'কে তেখেতৰ প্ৰথম ৰচনা বুলিব পাৰি।

১৯৫৫ চনত কানন কমলা দিহিঙীয়া বৰুৱাৰ সৈতে দেৱেশ্বৰ দিহিঙীয়া বৰুৱা বিবাহপাশত আৱদ্ধ হয়।

নিতাইপুখুৰী উচ্চ মাধ্যমিক বিদ্যালয় (বৰ্তমান উচ্চতৰ) ত সহকাৰী শিক্ষক হিচাপে কাৰ্যনিৰ্বাহ কৰি থকা অৱস্থাত তেওঁৰ আকস্মিকভাৱে ১৯৭৩ চনত বিয়োগ হয়।

## ২.০০ ঃ দেৱেশ্বৰ দিহিঙীয়া বৰুৱাৰ কবিতা ঃ

অসমীয়া সাহিত্যৰ আৱাহন যুগ আৰু যুদ্ধোত্তৰ কালত অসমীয়া সাহিত্যৰ ভঁৰাললৈ মৌলিক ৰচনা সম্ভাৰেৰে বৰঙণি আগবঢ়োৱা নিতাইপুখুৰীৰ সমীপৱৰ্তী দিহিং নৈৰ কাষৰীয়া দিহিঙীয়া গৰুখুটি গাঁৱৰ ৰোমাণ্টিক প্ৰগতিবাদী লেখক হ'ল দেৱেশ্বৰ দিহিঙীয়া বৰুৱা (১৯২০-১৯৭৩)। দেৱেশ্বৰ দিহিঙীয়া বৰুৱাই '**আৱাহন**', '**ভ্ৰমৰ**', '**নিৰ্মালী**' আদি আলোচনীত তত্ত্বমূলক প্ৰবন্ধ প্ৰকাশ কৰাৰ উপৰিও কাব্য সৃষ্টিতো হাত দিছিল। তেওঁৰ প্ৰকাশিত কবিতা সংকলন দুখন '**অৱসাদ**' আৰু '**জোৱাৰ**'। '**পৰাজয়**' (১৯৪৭) তেওঁৰ অপ্ৰকাশিত কবিতা পুথি। '**অৱসাদ**' আৰু '**জোৱাৰ**'ত সন্নিৱিষ্ট কবিতাকুঞ্জ এহাতে ৰোমাণ্টিক দৃষ্টিভঙ্গী সম্পন্ন ঃ য'ত মোহভংগৰ বিষাদ অবাৰিত কল্পনাৰে বিধৌত হৈ উঠিছে। আনহাতে ৰোমাণ্টিকতাৰ মাজতে অংকুৰিত হৈছে কবিৰ প্ৰগতিবাদী চিন্তাৰ বীজ। তেওঁৰ একাংশ কবিতা স্বদেশ, স্বজাতি আৰু ভাষা জননীৰ প্ৰতি থকা গভীৰ প্ৰেমানুভূতিৰে সিক্ত আৰু আন একাংশ কবিতাৰ প্ৰধান অৱলম্বন হ'ল নীচতা, হীনতা, সংকীৰ্ণতাৰ উৰ্দ্ধত এখন নিকা সাম্যবাদী সমাজ সৃষ্টিৰ কল্পনা।

দেৱেশ্বৰ দিহিঙীয়া বৰুৱা আছিল এজন ৰোমাণ্টিক, প্ৰগতিশীল কবি। বৰুৱাদেৱৰ কবিতাসমূহৰ মাজত প্ৰেম, ৰোমাণ্টিকতা, হৰ্ষ-বিষাদ, উদাসীনতা, সাম্যবাদৰ ধ্বনি প্ৰকাশিত হৈছে। দ্বিতীয় বিশ্বযুদ্ধই কঢ়িয়াই অনা বিভীষিকা আৰু বিশ্বজুৰি সৃষ্টি হোৱা অশান্তিময় পৰিস্থিতিৰ উল্লেখো দেৱেশ্বৰ দিহিঙীয়া বৰুৱাৰ কবিতাত পোৱা যায়।

দেৱেশ্বৰ দিহিঙীয়া বৰুৱাৰ কবিতা সমূহ ব্যক্তিনিষ্ঠ আৰু বস্তুনিষ্ঠ এই দুয়ো শ্ৰেণীৰ কবিতাৰ ভিতৰুৱা। সমালোচকসকলে কবিতাক বিষয়বস্তুৰ আধাৰত মূলতঃ দুটা ভাগত ভাগ কৰিছে। এটা হ'ল ব্যক্তিনিষ্ঠ কবিতা আৰু আনটো হ'ল বস্তুনিষ্ঠ কবিতা। ব্যক্তিনিষ্ঠ কবিতাত কবিয়ে অন্তৰৰ নিভৃততম্ ভাৱ, অনুভূতি, ব্যক্তি জীৱনৰ সুখ-দুখ, কাৰুণ্য, আশা-আকাংক্ষা, হতাশা আদি কল্পনাৰ সহায়েৰে প্ৰকাশ কৰে। বস্তুনিষ্ঠ কবিতাত কবিয়ে পাৰিদৃশ্যমান জগতৰ পৰা কবিতাৰ বিষয়বস্তু গ্ৰহণ কৰে। দেৱেশ্বৰ দিহিঙীয়া বৰুৱাৰ কবিতাতো অন্তৰৰ নিভৃততম্ ভাৱ-অনুভূতি, ব্যক্তি জীৱনৰ সুখ-দুখ, কাৰুণ্য, আশা-আকাংক্ষা, হতাশা আৰু পাৰিদৃশ্যমান জগতৰ কথা ফুটি উঠিছে। সেইবাবে দেৱেশ্বৰ দিহিঙীয়া বৰুৱাৰ কবিতাসমূহৰ মাজত ব্যক্তিনিষ্ঠ আৰু বস্তুনিষ্ঠ দুয়োশ্ৰেণীৰে কবিতা দেখা যায়।

দেৱেশ্বৰ দিহিঙীয়া বৰুৱা এটি বস্তুনিষ্ঠ কবিতাৰ স্তৱক হৈছে —

'টেমচৰ সুৰঙত ফুটুকাৰ ফেন-ফোঁট
সুমেৰুত হাঁহে সউ জাপানী- জীয়াৰী,
কুমেৰুৰ কতকথা ঈগল-তিমিয়ে পতা
ওৱাদিহ ক'ত সখি ; ভাতৰে ভিক্ষাৰী ?'[1]

Head of ... N.C.C. ...

১ 'জোৱাৰ' দেৱেশ্বৰ দিহিঙীয়া বৰুৱা, ('জোৱাৰ' (৩), পৃঃ ১)।

দেৱেশ্বৰ দিহিঙীয়া বৰুৱাৰ এটি ব্যক্তিনিষ্ঠ কবিতাৰ স্তৱক হৈছে —

ইমান চেনেহ বুকুৰ মাজত
নেজানো কিহত আছে ?
চকুৰ খোলত এচমকা লাজে
কিয় কামনাত কান্দে ?[২]

## ২.০১ ঃ দেৱেশ্বৰ দিহিঙীয়া বৰুৱাৰ কবিতাপুথি 'জোৱাৰ' ঃ

দেৱেশ্বৰ দিহিঙীয়া বৰুৱাৰ প্ৰথম প্ৰকাশিত কবিতাপুথি হৈছে **'জোৱাৰ'**। ১৯৫৫ চনত প্ৰকাশ হোৱা কবিতা পুথিখনৰ বাকলি পৃষ্ঠাটোতে সাম্যবাদী আদৰ্শত বিশ্বাসী কবিজনৰ জ্ঞানৰ পৰিসৰৰ উমান পোৱা যায়।

সাগৰত জোৱাৰৰ উঠা-নমাৰ সৈতে মানৱ সভ্যতাৰ উত্থান-পতন আৰু মানুহৰ ব্যক্তিগত জীৱনৰ সফলতা-বিফলতা, ঘাত-প্ৰতিঘাট সমূহক দেৱেশ্বৰ দিহিঙীয়া বৰুৱাই তুলনা কৰিছে। জোৱাৰে ধ্বংসৰ সৃষ্টিৰ কৰাৰ লগতে জোৱাৰে আশাৰ সঞ্চাৰো কৰিছে। ১৯৫৫ চনতে প্ৰথমবাৰৰ বাবে ইণ্ডোনেচীয়াৰ বাণ্ডোঙত অনুষ্ঠিত হোৱা এছীয়-আফ্ৰিকীয় দেশসমূহৰ সন্মিলন হৈছে। এই সন্মিলনত জৰিয়তে গ্ৰহণ কৰা বিশ্ব-শান্তিৰ সংকল্পই সকলোতে শান্তিৰ জোৱাৰ অনাৰ আশাৰে একেটা বৰ্ষতে কবিয়েও অসমৰ ৰাইজলৈ '**জোৱাৰ**'ক উলিয়াই দিছে। **'বাকলি'** পৃষ্ঠাতে দেৱেশ্বৰ দিহিঙীয়া বৰুৱাই '**জোৱাৰ**'ৰ কবিতাসমূহক **'পয়াৰ'** ছন্দৰে বন্ধাৰ ইংগিত দি কৈছে—

**'বিশ্ব-শান্তি কামনা কৰিয়েই 'জোৱাৰ'ক পয়াৰক বোল দি আঁকোৱালি ধৰিলোঁ—'**

('জোৱাৰ' বাকলি পৃষ্ঠা )

**'জোৱাৰ'** প্ৰকাশক অনন্ত ৰাম নেও ফুকনে 'প্ৰকাশকৰ একাষাৰ' শিতানত '**জোৱাৰ**'ৰ কবিতাসমূহক **'আন্তৰ্জাতিক ভাৱধাৰাৰ ৰমান্টিক ৰাইম'** বুলি উল্লেখ কৰিছে।

দ্বিতীয় বিশ্বযুদ্ধৰ বিভীষিকাময় পৰিৱেশ আৰু কবিৰ শান্তিকামী মনৰ ভিতৰত চলি থকা বিভিন্ন ভাৱৰ হেন্দোলনিক কবিতাৰ মাধ্যমেৰে প্ৰকাশ কৰিছে। মেক্সিকো, ৰাছিয়া সাগৰৰ ওপৰত উৰা এলবাট্ৰ'চ নামৰ চৰাই, টেমচ নৈ, সুমেৰু-কুমেৰু, জাপান, ঈগল, তিমি, প্ৰশান্ত মহাসাগৰ, নালন্দা বিশ্ববিদ্যালয় ইত্যাদি বিষয়ৰ উল্লেখে কবিৰ জ্ঞানৰ গভীৰতা আৰু সমসাময়িক পৰিস্থিতি সচেতনতাৰ ইংগিত বহন কৰিছে।

দেৱেশ্বৰ দিহিঙীয়া বৰুৱাৰ কবিতাত প্ৰতীকৰ ব্যৱহাৰ দেখা যায়।

Head of ... N.G.D.C ...

২ 'জোৱাৰ' দেৱেশ্বৰ দিহিঙীয়া বৰুৱা, ('জোৱাৰ' পৃঃ ৩)।

কাকতী ফৰিঙে পথাৰ ঢাকি ধৰা প্ৰতীকে বৰুৱাৰ কবিতাত দুঃসময়ৰ সূচনা কৰিছে —

কাকতী ফৰিঙ পৰি    পথাৰ জোনাক কৰে
কমনীয় কিৰিলিৰ এটি কোলাহল -
সেউজীয়া বননিৰ    বুকৰ বলুকা কাঢ়ে
ৰূপৰ ৰক্তিম আভা -; সি যে হলাহল ![৩]

কবিতাত বৈৰাগীৰ উল্লেখে ভাৱৰ উদাসীনতা আৰু এক ছন্দোময় গীতিধৰ্মীতা প্ৰকাশ কৰিছে —

শুনাই, শুনিলে    সঘনে হাঁহিব
বাটতে বৈৰাগী নাই
বিৰিণা পাতৰে    বাতৰি বান্ধিব
বিৰিণা বনলে চাই।[৪]

ৰামায়ণ, মহাভাৰতৰ বিভিন্ন চৰিত্ৰ যুধিষ্ঠিৰ, ৰাৱণ, শূৰ্পনখা, সীতা, অনিৰুদ্ধ, চিত্ৰগুপ্ত ইত্যাদিৰ উল্লেখেৰে চৰিত্ৰসমূহক পুনঃ মূল্যায়ন কৰাৰ চেষ্টাও দেখা যায় —

শূৰ্পনখা ! নোৱাৰিলি -    পোৰোৱাব অভিলাস
ভ্ৰষ্টগলি জনম'লে তোৰ নগ্নতাত -
ৰাৱনৰ স্বৰ্ণ সাৰেঙ্গ -    'জোৱাৰতে' জাহ গ'ল
'অশোক বনৰো' শোক শূন্য হীনতাত ![৫]

ধৰ্মক স্বীকাৰ কৰি লৈও বিজ্ঞানৰ আৱিষ্কাৰক আদৰণি জনাইছে কবিতাৰ মাজেৰে —

'নালন্দাৰ বিদ্যালয় -    বুদ্ধৰ বিবিধ বাণী -
'অজন্তাত' অতীতৰ বহু অৱদান
'পম্পী'ৰ পবিত্ৰ পথ -    হৰষৰ হেন্দোলনি
বিজ্ঞানৰ বহু বোল আজি সভ্যতাত ![৬]

---

৩ 'জোৱাৰ' দেৱেশ্বৰ নিহিষ্ঠীয়া বৰুৱা, ('জোৱাৰ' (৪), পৃঃ ২)।
৪ 'জোৱাৰ' দেৱেশ্বৰ নিহিষ্ঠীয়া বৰুৱা, ('জোৱাৰ' পৃঃ ৩)।
৫ 'জোৱাৰ' দেৱেশ্বৰ নিহিষ্ঠীয়া বৰুৱা, ('জোৱাৰ' (১০), পৃঃ ৪)।
৬ 'জোৱাৰ' দেৱেশ্বৰ নিহিষ্ঠীয়া বৰুৱা, ('জোৱাৰ' (৮), পৃঃ ৩)।

বিংশ শতিকাৰ নাৰীমুক্তি আন্দোলনৰ খবৰো কবি বৰুৱাই ৰাখিছিল। কবিতাৰ মাজেৰে নাৰীশক্তিৰ জয়গান এনেদৰে গাইছে —

এইবাৰ নাৰীপৰ্ব্ব - নাৰীয়ে শাসিব ধৰা
ধৰিত্ৰীৰ হ'ব বুকু সুজলা-সুফলা
পুৰুষৰ গৰ্ব্ব খৰ্ব্ব - পুৰুষ পাপতে যাব
আজিয়ে শুনালো সখি এই আগ কথা।[৭]

সামগ্ৰিকভাৱে '**জোৱাৰ**'ৰ কবিতাসমূহত মহাকাব্যৰ কাহিনী, চৰিত্ৰ, দেশ-বিদেশৰ বিভিন্ন ঠাই, স্মৃতিশক্তি, প্ৰকৃতি, দ্বিতীয় বিশ্বযুদ্ধৰ পাছৰ বিশৃংখল সমাজখন, সাম্যবাদী আন্দোলনৰ ঢৌ, নাৰী শক্তিৰ জয়গান ইত্যাদি বিষয়বস্তুৱে ঠাই পাইছে। কবিৰ মনৰ ৰোমাণ্টিক ভাৱ বিলাসীতা তথা সমাজৰ শোষিত-নিষ্পেষিতৰ প্ৰতি সহানুভূতি '**জোৱাৰ**'ৰ কবিতাৰ ঘাই বিষয়বস্তু। প্ৰকৃতি জগতৰ সহজাত পৰিবৰ্তনৰ সৈতে মানৱীয় আৱেগ-অনুভূতিৰ সুক্ষ্ম পৰ্যবেক্ষণ আৰু জীৱনৰ প্ৰতি থকা নিজস্ব ধাৰণাক পাঠকৰ মাজলৈ লৈ যোৱাত '**জোৱাৰ**'ৰ কবিতাসমূহক মাধ্যম হিচাপে ব্যৱহাৰ কৰিছে।

## ২.০২ ঃ দেৱেশ্বৰ দিহিঙীয়া বৰুৱা কবিতাপুথি 'অৱসাদ' ঃ

দেৱেশ্বৰ দিহিঙীয়া বৰুৱাৰ আন এখন প্ৰকাশিত কবিতাপুথি '**অৱসাদ**'।

কবিতাপুথিখনৰ নামকৰণ '**অৱসাদ**' ৰূপে কৰিছে লগতে প্ৰতিটো পংক্তিত সংখ্যাৰে একাদিক্ৰমে সজোৱা হৈছে। ১০৭ টা পংক্তিৰ সমষ্টি হ'লেও উপনামকৰণ কৰাও হৈছে। '**চকুলো**', '**হুমুনিয়াহ**', '**আজিৰ আজিয়েই**' শীৰ্ষকেৰে '**অনুপ্ৰাস**' অলংকাৰৰ সঘন প্ৰয়োগেৰে কবিতাসমূহ লিখা হৈছে।

১৯৪৭ চন অৰ্থাৎ ভাৰতৰ স্বাধীনতাৰ পূৰ্ব সময়ছোৱাৰ কবিৰূপে দেৱেশ্বৰ দিহিঙীয়া বৰুৱাৰ কাব্য ভাৱনা '**অৱসাদ**'ত স্পষ্ট হৈ উঠিছে। ৰোমাণ্টিক কবিতাৰ মুখ্য লক্ষণ '**কল্পনাৰ মুক্ত বিচৰণ**' এই কবিতাসমূহৰো মূল বিশেষত্ব হৈ পৰিছে। ৰোমাণ্টিক ভাৱ বিলাস, কৰুণ সুৰেৰে কবিতাসমূহ সিক্ত। উদাহৰণস্বৰূপে —

কলিজাৰ কলা ঘাম চকুলোৰে চমকাই
শুকুৱাই হাঁয় মোৰ চকু খাল জুৰি,
আঙুলিৰ পাবে পাবে আমনিৰ চাব ৰয়
বসন্তৰ জীৱনতে চকুপানী টুকি।[৮]

Head of Deptt. Assamese
N.C.D.C.

৭ 'জোৱাৰ' দেৱেশ্বৰ দিহিঙীয়া বৰুৱা, ('জোৱাৰ' (২১), পৃঃ ৭)। ৮ 'অৱসাদ' দেৱেশ্বৰ দিহিঙীয়া বৰুৱা, ('অৱসাদ' (১৫), পৃঃ ৮)।

দেৱেশ্বৰ দিহিঙীয়া বৰুৱাৰ কবিতাত ৰোমাণ্টিক চেতনা আৰু প্ৰগতিশীল চিন্তা দুয়োটা সুৰেই শুনা যায় যদিও প্ৰথমফালৰ কবিতাখিনিত ব্যক্তিনিষ্ঠ অনুভৱহে অনুভূত হয়।

আশাভংগৰ বেদনা, অনাহক বিষাদগ্ৰস্ততাই কবিক হতাশ কৰিছে। আশাভংগক বেদনা **'অৱসাদ'**ত এইদৰে প্ৰকাশ পাইছে —

নুভুলিবি নেভাবিবি সউ জুটুলিতে থাকি
নকৰিবি অনাদৰ এই বাহৰৰ,
মউ পিয়া মোৰ পখী আতৰিলি কেনিবাদি
অপযশ অৱশেষ মোৰ আদৰৰ ।[৯]

কবি দেৱেশ্বৰ দিহিঙীয়া বৰুৱাই **'অৱসাদ'** সম্পৰ্কে **'পাতনি'**ত **'সাহিত্যৰ ক্ষেত্ৰত বৰুৱাৰ ইয়েই প্ৰথম সামগ্ৰী'** বুলি উল্লেখ কৰিছে। সাহিত্যচৰ্চাৰ প্ৰথমছোৱা সময়ৰ ৰচনা হিচাপে **'অৱসাদৰ'**ৰ কবিতাবোৰত ৰোমাণ্টিক ভাৱবিলাসীতাই প্ৰাধান্য পাইছে। কুৰি শতিকাৰ উত্থান-পতনসমূহেও কবিক প্ৰভাৱিত কৰিছে -

আজি এটি শতাব্দীতে হিয়া মোৰ ভাগি গ'ল
শতাব্দীতে কামিহাড় হ'ল ডাল ডাল ;
যোড়শী গোপিনী প্ৰেম কানুৰো অলিক বুলি
কায়ামন কামনাৰ ৰতো বদনাম।[১০]

দেৱেশ্বৰ দিহিঙীয়া বৰুৱাৰ সাহিত্যিক জীৱনৰ প্ৰথমভাগৰ ৰচনা হিচাপে কবিতাসমূহত প্ৰথম ৰচনাৰ জড়তা দেখা পোৱা নাযায়। বৰঞ্চ ভাৱ প্ৰকাশৰ মসৃণতা আৰু শব্দ ব্যৱহাৰৰ চাতুৰ্যই কবিক অভিজ্ঞতাসম্পন্ন সাহিত্যিক হিচাপে প্ৰতিষ্ঠিত কৰিছে।

৯ 'অৱসাদ' দেৱেশ্বৰ দিহিঙীয়া বৰুৱা, ('অৱসাদ' (৪৭), পৃঃ ১৬)।

১০ 'অৱসাদ' দেৱেশ্বৰ দিহিঙীয়া বৰুৱা, ('অৱসাদ' (৯৭), পৃঃ ২৯)।

## ৩.০০ ঃ ৰোমাণ্টিক কবি হিচাপে দেৱেশ্বৰ দিহিঙীয়া বৰুৱা ঃ

আৱাহন যুগৰ পৰা সাহিত্যচৰ্চা কৰা দেৱেশ্বৰ দিহিঙীয়া বৰুৱাৰ কবিতাৰ প্ৰগতিশীল চেতনাৰ সমান্তৰালভাৱে ৰোমাণ্টিক চেতনাৰ প্ৰকাশ পাইছে। ভাৱৰ মুক্ত প্ৰকাশ, প্ৰেম, ব্যক্তিগত আৱেগ-অনুভূতিৰ প্ৰকাশ, বৈপ্লৱিক চেতনাৰ প্ৰকাশ দেৱেশ্বৰ দিহিঙীয়া বৰুৱাৰ কবিতাৰ অন্যতম বৈশিষ্ট্য। এই বৈশিষ্ট্যসমূহে ৰোমাণ্টিক কবি হিচাপে তেখেতক প্ৰতিষ্ঠিত কৰিছে।

প্ৰকৃতি-প্ৰীতি, কল্পনা-প্ৰীতি, প্ৰেম আৰু সৌন্দৰ্য প্ৰীতি, ৰহস্যবাদী চেতনা, স্বদেশানুৰাগ ইত্যাদি বিলাক ৰোমাণ্টিক কবিতাৰ প্ৰধান বৈশিষ্ট্য। এই বৈশিষ্ট্যসমূহ দেৱেশ্বৰ দিহিহীয়া বৰুৱাৰ কবিতাসমূহতো দেখা যায়।

প্ৰকৃতিৰ সৈতে ব্যক্তিগত আৱেগ-অনুভূতিসমূহক একাকাৰ কৰি কবিয়ে লিখিছে —

বালিৰ বহাও মোৰ        ব'হাগী বতাহে নিয়ে
বালিভোজ হওঁতেই বাহি কৰি থই
জোনাক পোহৰ চাই        জোনাকী পৰুৱা লিখা
যদিও স্বভাৱ মোৰ আছে ৰই বই।[১১]

নৈৰ গৰাৰ কাষত থকা খাগৰীজোপা গৰা খহি উটি যোৱাৰ পাছত নৈৰ সোঁতক যেন ওপৰলৈ তুলি নিবলৈ কাতৰ অনুৰোধ কৰিছে। কবিৰ কল্পনাত এই ভাৱনা এনেদৰে মূৰ্ত হৈ উঠিছে —

গৰাৰ কাষৰ থকা        বনৰ খাগৰীজোপা
গৰা খহি তললৈ গ'ল কাহানিবা,
ওপৰত আগ চুলি        ওপৰতে আসা লৈ
সোঁতক সদৰি কয় 'মোক তুলি দিয়া'।[১২]

কবিৰ প্ৰকৃতি প্ৰেম মনটোৱেও কবিতাত সুযোগ পালেই ভুমুকি মাৰিছে। মৌপিয়া চৰাইজনীয়ে পাখিৰ শব্দ তুলি উৰি যোৱা শব্দতা বনৰীয়া পহুজনীয়েও চমকি উঠিছে আৰু গছপাতত লাগি থকা নিয়ৰ কণাবোৰো সৰি পৰিছে। প্ৰকৃতিৰ সৈতে জড়িত এনে মনোৰম চিত্ৰকলাসমূহো কবিৰ কবিতাত মূৰ্ত হৈ উঠিছে ।

মৰমৰ মউ পিয়া        মনে মনে উৰি গ'ল
মায়াময় মৰতৰ পাখিৰ আৱাজ,
বনৰ বান্ধৱী পহু        চক্ খাই চমকিল
পাতৰ নিয়ৰ পমি পাততে পলাল।[১৩]

Head of Dept. Assamese
N.C.D.C.

১১ 'অৱসাদ' দেৱেশ্বৰ দিহিঙীয়া বৰুৱা, ('অৱসাদ' (৪), পৃঃ ৬)।
১২ 'অৱসাদ' দেৱেশ্বৰ দিহিঙীয়া বৰুৱা, ('অৱসাদ' (২১), পৃঃ ১০)।
১৩ 'অৱসাদ' দেৱেশ্বৰ দিহিঙীয়া বৰুৱা, ('অৱসাদ' (৪২), পৃঃ ১৫)।

দেৱেশ্বৰ দিহিঙীয়া বৰুৱাৰ প্ৰেমৰ কবিতাৰ স্তৱকসমূহত প্ৰেমৰ বিৰহ, নোপোৱাৰ বেদনাহে অধিক প্ৰকাশ হোৱা দেখা যায়।

আপোন জন্মভূমিক প্ৰকৃতি, ইতিহাস আৰু ঐতিহ্যই কবিক অনুপ্ৰাণিত কৰিছে। জয়সাগৰ পুখুৰীৰ পৰিভ্ৰমী পক্ষীৰ বিৱৰণেও কবিতাত ঠাই পাইছে —

জয়সাগৰৰ বুকু দেওৰাজ হাঁহে বোৰে
বগলীয়ে জুপ লয় জুপি দৰিকণা,
সন্ধিয়াত গম পাই পাখিৰ আৱাজ যায়
অনাহাৰে উৰে ৰাতি তাৰ জৰিমণা।[১৪]

প্ৰাক্ স্বাধীনতা কালৰ সময়ছোৱাত অসমৰ গৌৰৱৰ বেলি মাৰ যোৱা দেখি কবিৰ মনতো জন্মভূমিৰ প্ৰতি সহানুভূতি জাগিছে। ইয়াণ্ডাবু সন্ধিৰ পাছত অসম বিদেশীৰ হাতলৈ যোৱাৰ ইংগিত কবিতাত এনেদৰে প্ৰকাশ পাইছে —

অসমত আজি নাই আৰামৰ আখা-শাল
আৰু নাই পৰাণৰো মিলিমিলি প্ৰেম,
'আহোম আহোম' বুলি কাৰেঙত কান্দে বাঘে
গদাৰ অঙহী নাই বিদেশীৰ ভেম। [১৫]

১৪ 'অৱসাদ' দেৱেশ্বৰ দিহিঙীয়া বৰুৱা, ('অৱসাদ' (৫৩), পৃঃ ১৮)।

১৫ 'অৱসাদ' দেৱেশ্বৰ দিহিঙীয়া বৰুৱা, ('অৱসাদ' (৯৬), পৃঃ ২৯)।

## ৪.০০ ঃ প্ৰগতিশীল কবি হিচাপে দেৱেশ্বৰ দিহিঙীয়া বৰুৱা ঃ

**'আৱাহন'** আলোচনীতেই ৰোমাণ্টিক কবিতাৰ শেষ আলোক বিচ্ছুৰিত হোৱা বুলি ক'ব পাৰি। কিয়নো এই আলোচনীখন ওলোৱাৰ কেইবছৰমান পিছতেই ৰঘুনাথ চৌধাৰীৰ সম্পাদিত **'জয়ন্তী'** (১৯৩৮), **'সুৰভী'** (১৯৪০-১৯৪৩) আদি আলোচনীত ৰোমাণ্টিক কবিতাৰ ঠাইত নতুন ভাৱধাৰা সম্বলিত বাস্তৱবাদী কবিতা প্ৰকাশ হ'বলৈ ধৰে।[১৬]

বিংশ শতিকাৰ চতুৰ্থ দশকৰ সময়ৰ পৰা পঞ্চদশকলৈকে দ্বিতীয় বিশ্বযুদ্ধৰ বিভীষিকাই সমগ্ৰ পৃথিৱীজোৰা অশান্তিৰ সৃষ্টি কৰিছিল। এই অশান্তি তথা যুদ্ধৰ বিভীষিকাই ভাৰতৰ লগতে অসমকো স্পৰ্শ কৰিছিল। অসমৰ সাধাৰণ জনগণৰ লগতে কবি সাহিত্যিক সকলকো এই অশান্তিকৰ পৰিস্থিতিয়ে প্ৰভাৱিত কৰিছিল। কাকত-আলোচনী ছপাবৰ বাবে হোৱা কাগজৰ নাটনিৰ বাবেও অসমীয়া প্ৰকাশ হৈ থকা আলোচনীসমূহো বন্ধ হৈছিল। ফলত অসমীয়া সাহিত্য চৰ্চাৰ ধাৰা ব্যাহত হৈছিল। এনে সময়তে এচাম অসমীয়া ডেকাই অসমীয়া সাহিত্য চৰ্চাৰ এক নতুন ধাৰা **'জয়ন্তী'** (১৯৩৬-৩৮) আলোচনীৰ জৰিয়তে আৰম্ভ কৰিলে। সেইসময়ৰ তথাকথিত ৰোমাণ্টিক ধাৰাৰ বিপৰীতে কবিতা চৰ্চাৰ ক্ষেত্ৰত **'জয়ন্তী'** আলোচনীৰ জৰিয়তে প্ৰতিষ্ঠিত দ্বিতীয়টো ধাৰা (১৯৪৩) প্ৰগতিবাদী ধাৰা হিচাপে চিহ্নিত হ'ল। **'জয়ন্তী'** আলোচনীৰ লগতে **'আমাৰ প্ৰতিনিধি'**, **'মণিদীপ'**, **'প্ৰকাশ'** আদিয়েও অসমীয়া সাহিত্যৰ অন্যান্য ধাৰাৰ লগতে কবিতা চৰ্চাৰ ধাৰাও অব্যাহত ৰাখিছিল।

দেৱেশ্বৰ দিহিঙীয়া বৰুৱাৰ ১৯৫৫ চনত প্ৰকাশিত কবিতাপুথি **'জোৱাৰ'**ৰ কবিতাসমূহত ঘাই উপজীব্য হৈছে প্ৰগতিশীল চেতনা। বি প্লৱী কমিউনিষ্ট দলৰ এজন সক্ৰিয় সদস্য হিচাপে আত্মপ্ৰকাশ কৰা দেৱেশ্বৰ দিহিঙীয়া বৰুৱাৰ শেষৰখন কবিতাপুথি **'জোৱাৰ'**ৰ কবিতাসমূহৰ জৰিয়তে তেখেতৰ বিপ্লৱী মনটোৰ আত্মপ্ৰকাশ ঘটিছে। আজীৱন সাম্যবাদী চেতনাত বিশ্বাসী এজন কবি হিচাপে তেখেতে সমসাময়িক বিশ্বৰ বিভিন্ন খবৰ ৰাখিছে। **'জোৱাৰ'**ৰ কবিতাসমূহত বিশ্বৰ বিভিন্ন ঘটনা-পৰিঘটনাৰ উল্লেখৰ পৰা এই কথা প্ৰতীয়মান হৈছে —

বনুৱাৰ- ৰণুৱাৰ, 'দেশ' বুলি জগতত
উঠিছে জোৱাৰ দিনে ৰুচ-জামনীত
তুমিনো থাকিবা কিয় ? আমোলৰে আলাসত
আদৰা কিয়নো কাহ কানী শুকানীৰ ?[১৭]

**'জোৱাৰ'**ৰ বাকলি পৃষ্ঠাত জোৱাৰে পৰিৱৰ্তনৰ পথ পৰিষ্কাৰ কৰাৰ কথা উল্লেখ কৰিছে।[১৮] প্ৰগতিশীল চিন্তাৰ ব্যক্তি হিচাপে পৰিৱৰ্তনৰ লগতে নতুনত্বক আদৰণি জনোৱাৰ বাৰ্তাও দেৱেশ্বৰ দিহিঙীয়া বৰুৱাৰ কবিতাৰ অন্যতম উপজীব্য হৈ পৰিছে।

---

১৬ হেমন্ত কুমাৰ শৰ্মা, অসমীয়া সাহিত্যত দৃষ্টিপাত, পৃঃ ৩৭৪।
১৭ 'জোৱাৰ' দেৱেশ্বৰ দিহিঙীয়া বৰুৱা, ('জোৱাৰ' (৪২), পৃঃ ১৪)।
১৮ 'জোৱাৰ' দেৱেশ্বৰ দিহিঙীয়া বৰুৱা, ('জোৱাৰ', বাকলি পৃষ্ঠা)।

## ৫.০০ ঃ অসমীয়া কাব্য জগতত দেৱেশ্বৰ দিহিঙীয়া বৰুৱাৰ স্থান ঃ

বিংশ শতিকাৰ দ্বিতীয় দশকতে জন্মগ্ৰহণ কৰা দেৱেশ্বৰ দিহিঙীয়া বৰুৱাই কবিতা আৰু প্ৰবন্ধ ৰচনাৰ জৰিয়তে লেখক হিচাপে আত্মপ্ৰকাশ কৰিছিল। 'আৱাহন' (১৯২৯), 'জয়ন্তী' (১৯৩৮), 'সুৰভি' (১৯৪০), 'ৰামধেনু' (১৯৫১) এই আলোচনীসমূহৰ সৃষ্ট সাহিত্যৰ ধাৰাসমূহৰ সৈতে বৰুৱাৰ পৰিচয় হৈছিল আৰু তাৰ ফলতে সাহিত্য সৃষ্টিৰ প্ৰতিও অনুপ্ৰাণিত হৈছিল।

শব্দ প্ৰয়োগৰ চাতুৰ্য, বিষয়বস্তুৰ বৈচিত্ৰ্য আৰু ভাৱৰ বিশালতাই দেৱেশ্বৰ দিহিঙীয়া বৰুৱাৰ কবিতাসমূহক ৰামধেনু যুগৰ অসমীয়া কবিতাৰ ওচৰ চপাইছে। আনহাতে শব্দালংকাৰ আৰু মিত্ৰাক্ষৰ ছন্দৰ সঘন প্ৰয়োগে দিহিঙীয়া বৰুৱাৰ কবিতাসমূহক অসমীয়া কবিতাৰ পৰম্পৰাগত ধাৰাৰ অনুগামী কৰি তুলিছে। গতিকে অসমীয়া কবিতাৰ ৰোমাণ্টিক ধাৰা আৰু প্ৰগতিবাদী ধাৰাই আত্মপ্ৰকাশ কৰা সময়ছোৱাৰ সন্ধিক্ষণৰ কবি হিচাপে দেৱেশ্বৰ দিহিঙীয়া বৰুৱাক অভিহিত কৰিব পাৰি।

প্ৰাক্ স্বাধীনতা কালৰপৰা স্বাধীনোত্তৰ কাললৈকে কবিতাৰ চৰ্চা অব্যাহত ৰখা দেৱেশ্বৰ দিহিঙীয়া বৰুৱাৰ প্ৰকাশিত কবিতাপুথি দুখনৰ ৰচনাৰ সময় হৈছে একাদিক্ৰমে 'অৱসাদ' (১৯৪৭) আৰু 'জোৱাৰ' (১৯৫৫)। অৱশ্যে 'অৱসাদ'ৰ ৰচনাকাল ১৯৪৭ যদিও ২০১০ চনত মৰণোত্তৰভাৱেহে প্ৰকাশ হৈ ওলাইছে। গতিকে ৰোমাণ্টিক যুগ আৰু আধুনিক যুগৰ যুগসন্ধিৰ কবি হিচাপে দেৱেশ্বৰ দিহিঙীয়া বৰুৱাৰ কবিতাসমূহ অসমীয়া কাব্য সাহিত্যৰ লেখত ল'বলগীয়া সম্পদ বুলিব পাৰি।

সাহিত্যত প্ৰতিফলিত হোৱা সমাজ বাস্তৱতাৰ অন্যতম চানেকি হিচাপেও দেৱেশ্বৰ দিহিঙীয়া বৰুৱাৰ কবিতাসমূহক অভিহিত কৰিব পাৰি। পৰাধীন দেশত বাস কৰা নাগৰিকৰ অতীতৰ গৌৰৱ সোঁৱৰণ, দ্বিতীয় বিশ্বযুদ্ধৰ বিভীষিকা, শান্তি সন্মিলন ইত্যাদিৰ উল্লেখে সেই সময়ৰ সমগ্ৰ বিশ্বৰে সামজিক, ৰাজনৈতিক ক্ষেত্ৰৰ এখন ছবি তুলি ধৰিবলৈ দেৱেশ্বৰ দিহিঙীয়া বৰুৱাই চেষ্টা কৰিছে।

Das

**৬.০০ ঃ সিদ্ধান্ত ঃ**

(ক) জোনাকী যুগৰ কবিতাৰ ৰোমাণ্টিক ভাৱধাৰা আৰু স্বৰাজোত্তৰ কবিতাৰ প্ৰগতিশীল ভাৱধাৰা দুয়োটাৰে সমাহাৰ দেৱেশ্বৰ দিহিঙীয়া বৰুৱাৰ কবিতাত দেখা যায়।

(খ) সাগৰত জোৱাৰৰ উঠা-নমাৰ সৈতে মানৱ সভ্যতাৰ উত্থান-পতন আৰু মানুহৰ ব্যক্তিগত জীৱনৰ সফলতা-বিফলতা, ঘাট-প্ৰতিঘাট সমূহক দেৱেশ্বৰ দিহিঙীয়া বৰুৱাৰ কবিতাত প্ৰতিফলিত হৈছে।

(গ) দ্বিতীয় বিশ্বযুদ্ধৰ বিভীষিকাময় পৰিৱেশ আৰু কবিৰ শান্তিকামী মনৰ ভিতৰত চলি থকা বিভিন্ন ভাৱৰ হেন্দোলনিক কবিতাৰ মাধ্যমেৰে প্ৰকাশ কৰিছে।

(ঘ) ভাৰতে স্বাধীনতা লাভৰ সন্ধিক্ষণৰ কবিৰূপে দেৱেশ্বৰ দিহিঙীয়া বৰুৱাৰ কাব্য ভাৱনা তেখেতৰ চাৰিখন কবিতাপুথিত প্ৰকাশিত হৈছে।

(ঙ) ৰোমাণ্টিক যুগৰ কবিতাৰ প্ৰকৃতি প্ৰেম, মানৱ প্ৰেম, শান্তিকামী চেতনা, কল্পনা বিলাসীতা ইত্যাদি বৈশিষ্ট্য দেৱেশ্বৰ দিহিঙীয়া বৰুৱাৰ প্ৰথমছোৱা সময়ৰ কবিতা পুথি 'অৱসাদ'ত প্ৰতিফলিত হয়।

(চ) বিপ্লৱী কমিউনিষ্ট দলৰ আজীৱন সদস্য হিচাপে তেখেতৰ আদৰ্শগত সাম্যবাদী চেতনা 'জোৱাৰ'ৰ কবিতাসমূহত প্ৰতিফলিত হৈছে।

(ছ) অসমীয়া কাব্য চৰ্চাৰ ক্ষেত্ৰত বিংশ শতিকাৰ মাজভাগত আগভাগ লোৱা সাহিত্য আলোচনী সমূহত দেৱেশ্বৰ দিহিঙীয়া বৰুৱাই কবি হিচাপে আত্মপ্ৰকাশ কৰা নাছিল যদিও এখন মফচলীয় অঞ্চলৰ কবি হিচাপে দেৱেশ্বৰ দিহিঙীয়া বৰুৱাৰ কাব্য ভাৱনা সমসাময়িক কবিসকলৰ ওচৰ চপা আছিল।

Head of the Department
H.C.D.G. College

**৭.০০ ঃ উপসংহাৰ ঃ**

সামগ্ৰিকভাৱে দেৱেশ্বৰ দিহিঙীয়া বৰুৱাৰ প্ৰকাশিত কবিতাপুথি দুখনত কবি হিচাপে তেখেতে নিজকে প্ৰতিষ্ঠিত কৰিছে। নিতাইপুখুৰীৰ দৰে মফচলীয় অঞ্চল এটাৰ পৰা দেৱেশ্বৰ দিহিঙীয়া বৰুৱাৰ দৰে এজন কবি বিংশ শতিকাৰ স্বাধীনতা পূৰ্ব সময়ৰ পৰা স্বাধীনোত্তৰ সময়ছোৱালৈকে কাব্য চৰ্চা কৰি অসমীয়া কাব্য জগতক সমৃদ্ধ কৰাটো সমসাময়িক সময়ৰ প্ৰেক্ষাপটত বিৰল। তেখেতৰ অপ্ৰকাশিত কবিতাপুথি দুখন ( 'পৰাজয়', 'অনুতাপ') প্ৰকাশ হৈ ওলালে দেৱেশ্বৰ দিহিঙীয়া বৰুৱাক কবি হিচাপে পুনঃমূল্যায়ন কৰাৰ নতুন অৱকাশ থাকিব।

**গ্ৰন্থপঞ্জী ঃ**


দিহিঙীয়া বৰুৱা, দেৱেশ্বৰ ঃ 'জোৱাৰ'
প্ৰকাশক ঃ কানন কমলা দিহিঙীয়া বৰুৱা
প্ৰকাশ ঃ ২০১০

দিহিঙীয়া বৰুৱা, দেৱেশ্বৰ ঃ 'অৱসাদ'
প্ৰকাশক ঃ কানন কমলা দিহিঙীয়া বৰুৱা
প্ৰকাশ ঃ ২০১০

নেওগ,ড° মহেশ্বৰ ঃ অসমীয়া সাহিত্যৰ ৰূপৰেখা
প্ৰকাশক ঃ শ্ৰী ৰাজেন্দ্ৰ মোহন শৰ্মা।
প্ৰথম প্ৰকাশ ঃ অক্টোবৰ, ১৯৬২

শৰ্মা,ড° সত্যেন্দ্ৰনাথ ঃ অসমীয়া সাহিত্যৰ সমীক্ষাত্মক ইতিবৃত্ত
প্ৰকাশিকা ঃ প্ৰতিমা দেৱী।
প্ৰকাশ ঃ আগষ্ট, ২০০০

শৰ্মা,ড° হেমন্ত কুমাৰ ঃ অসমীয়া সাহিত্যৰ দৃষ্টিপাত
প্ৰকাশক ঃ শ্ৰী শান্তিৰঞ্জন দে।
প্ৰথম প্ৰকাশ ঃ আগষ্ট, ১৯৬১


Head of the Department

নাম ঃ অৰুন্ধতী দিহিঙীয়া বৰুৱা

গাঁও ঃ দিহিঙীয়া গৰুখুটি গাঁও

জীৱিকা ঃ শিক্ষয়িত্ৰী

বয়স ঃ ৫৯ বছৰ।

নাম ঃ মালৱিকা দিহিঙীয়া বৰুৱা


গাঁও ঃ দিহিঙীয়া গৰুখুটি গাঁও

জীৱিকা ঃ অধ্যাপিকা


বয়স ঃ ৫৪ বছৰ।

Head of ... Assamese
H.C.D.G. College
..., Sivasagar


## আলোকচিত্ৰ ঃ




দেৱেশ্বৰ দিহিঙীয়া বৰুৱা
(১৯২০-১৯৭৩)



দেৱেশ্বৰ দিহিঙীয়া বৰুৱাৰ পাণ্ডুলিপি
অৱস্থাত পোৱা কবিতাপুথি 'পৰাজয়'।




দেৱেশ্বৰ দিহিঙীয়া বৰুৱাৰ কবিতাপুথি
'জোৱাৰ'ৰ বেটুপাত




দেৱেশ্বৰ দিহিঙীয়া বৰুৱাৰ কবিতাপুথি
'অৱসাদ'ৰ বেটুপাত

Head of Deptt. Assamese